অধ্যায় 8

# বিবেকানন্দ ঃ আদৰ্শ সমাজ
# [VIVEKANANDA : IDEAL SOCIETY]

স্বামী বিবেকানন্দ আছিল আধুনিক ভাৰতৰ এগৰাকী মহান আধ্যাত্মিকতাবাদী যিয়ে সমসাময়িক বিশ্বক মানৱ মুক্তি তথা স্বাধীনতাৰ পথ দেখুৱাই দিছিল। ১৮৬৩ চনত জন্মগ্ৰহণ কৰা ভাৰতবৰ্ষৰ এইগৰাকী মহান মনীষীৰ জীৱনকাল আছিল তেনেই চমু। মাত্ৰ চাৰিটা দশকৰ জীৱনকালত স্বামী বিবেকানন্দই নিজৰ কৰ্মৰাজিৰে বিশ্বৰ সন্মুখত নিজকে প্ৰতিষ্ঠা কৰি থৈ গৈছে। বংগ দেশত জন্মগ্ৰহণ কৰা বিবেকানন্দৰ প্ৰকৃত নাম আছিল নৰেন্দ্ৰনাথ দত্ত। শিশুকালত তেওঁৰ জনপ্ৰিয় নাম আছিল বীৰেশ্বৰ আৰু বিলে। ১৮৯৩ চনত তেওঁ স্বামী বিবেকানন্দ নামেৰে পৰিচিত হয়। তেওঁ বিবেকানন্দ নাম পোৱা সন্দৰ্ভত ফ্ৰান্সৰ বিখ্যাত পণ্ডিত ৰোঁমা ৰোলাই এনেদৰে লিখিছে— 'তেওঁ দাৰ্শনিক তত্ত্বৰ আলোচনা ভাল পাইছিল। এই আলোচনা আৰু সূক্ষ্ম বিচাৰ শক্তিৰ স্পৃহাই তেওঁক পিছত বিবেকানন্দ নাম দিয়াত সহায় কৰিলে।'

ভাৰতবৰ্ষৰ গৌৰৱ স্বামী বিবেকানন্দ পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰ, যেনে— ইংলেণ্ড, জাৰ্মানী, ফ্ৰান্স, আমেৰিকা, ছুইজাৰলেণ্ড আৰু জাপান আদিত প্ৰখ্যাত হৈছিল। তেওঁৰ মানৱতাৰ যি বাণী সেয়া পৃথিৱীজুৰি প্ৰসাৰ হৈছিল। তেওঁৰ অদম্য জ্ঞানলিপ্সা, তীক্ষ্ণবুদ্ধি, অসাধাৰণ স্মৃতিশক্তি আৰু মনৰ বল দেখি মানুহ আচৰিত হৈছিল। বিজ্ঞানশাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, জ্যোতিষ শাস্ত্ৰ, দৰ্শন ইত্যাদি সকলো তেওঁ ছাত্ৰ অৱস্থাতে আয়ত্ত কৰিছিল।

১৮৯৩ চনত তেওঁ সন্ন্যাস জীৱন লোৱাৰ পূৰ্বে ভাৰতবৰ্ষত তিনিটা সংস্কাৰমূলক আন্দোলন হৈছিল। এই আন্দোলনকেইটা আছিল— 'ব্ৰাহ্ম সমাজ', 'আৰ্য সমাজ আৰু থিয়'চফিকেল ছ'চাইটী।' এই তিনিটা আন্দোলন আছিল ভাৰতৰ সমাজ সংস্কাৰ আন্দোলন। সেই সময়ত উক্ত আন্দোলনকেইটাই সমাজ সংস্কাৰৰ বাবে প্ৰয়াস কৰিছিল যদিও সম্পূৰ্ণৰূপে সফল হ'বপৰা নাছিল। সেই সময়ত সংকটৰ গৰাহত থকা ভাৰতীয় জাতিক এগৰাকী জাতীয় নেতাৰ প্ৰয়োজন আছিল যিয়ে সমগ্ৰ জাতিটোক সঠিক পথেৰে পৰিচালিত কৰিব পাৰে। সেই সময়তে ভাৰতে লাভ কৰিছিল স্বামী বিবেকানন্দক। মানৱ সেৱাৰ প্ৰতি প্ৰবল ধাউতি থকা তীক্ষ্ণ বুদ্ধিসম্পন্ন বিবেকানন্দৰ আছিল ইংৰাজী ভাষাতো ব্যুৎপত্তি। সত্য আৰু দিব্য জ্ঞান লাভৰ বাবে সৰুৰেপৰাই তেওঁ ব্যাকুল আছিল। তেওঁৰ কাণত বাৰে বাৰে বাজি উঠিছিল — 'যৎ সত্যম তৎ ধ্ৰুৱম যৎ অসত্যম তৎ অধ্ৰুৱম'। সত্য কি? ই ক'ত থাকে? কোনোবাই সত্য দেখিছে নে? আদি প্ৰশ্নবোৰ অহৰহ বিবেকানন্দৰ কাণত গুঞ্জৰিত হৈ আছিল। এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি তেওঁ ঘূৰি ফুৰিছিল। তেনে সময়তে ১৮৮১ চনত তেওঁ শ্ৰীশ্ৰী ৰামকৃষ্ণ পৰমহংসৰ সংস্পৰ্শলৈ আহিছিল। ৰামকৃষ্ণ পৰমহংসৰ সান্নিধ্যই তেওঁৰ জীৱন ৰথৰ চকা ঘূৰাই দিছিল। ৰামকৃষ্ণ পৰমহংসই হৈ পৰিছিল বিবেকানন্দৰ পথ প্ৰদৰ্শক। ৰামকৃষ্ণৰ সাৰ্বজনীন উদাৰনৈতিক দৃষ্টিভংগী আৰু শিক্ষাৰদ্বাৰা তেওঁ গভীৰভাৱে প্ৰভাৱিত হৈছিল। ১৮৮৬ চনত পৰমহংসৰ মৃত্যুৰ পিছত বিবেকানন্দই সন্ন্যাসধৰ্ম গ্ৰহণ কৰে। সন্যাস লৈ পৰিব্ৰাজক হিচাপে ভাৰত পৰিভ্ৰমণ কৰিবলৈ ওলায়। এই পৰিভ্ৰমণকালত তেওঁ ভাৰতীয় লোকসকলৰ দুখ-যন্ত্ৰণা, অজ্ঞতাৰ অভিশাপ আৰু সামাজিক আৰু ধৰ্মীয় ক্ষেত্ৰত ভোগ কৰা অন্যায়-অবিচাৰ দেখি ব্যথিত হৈছিল। মানৱতাৰ কষ্ট

দেখি তেওঁ যাতনাত দগ্ধ হৈছিল। এই পৰিভ্ৰমণ কালতে তেওঁ ভাৰতৰ বিভিন্ন অঞ্চলত থকা মঠ-মন্দিৰ, শিল্প-স্থাপত্য-ভাস্কৰ্য, ঐতিহ্য আদি সম্পৰ্কে জ্ঞাত হ'ব পাৰিছিল। তেওঁ অনুধাৱন কৰিছিল ভাৰতমাতাই পূৰ্বৰ গৌৰৱ, ঐতিহ্য হেৰুৱাই দৰিদ্ৰ আৰু অজ্ঞানতাত নিমজ্জিত হৈ আছে। তেওঁ সংকল্প লৈছিল যে জীৱনৰ বাকীছোৱা সময় তেওঁ ভাৰত মাতৃৰ কল্যাণৰ হকে সেৱা আগবঢ়াব আৰু মানৱতাৰ হকে কাম কৰি অজ্ঞানতাৰ আন্ধাৰত নিমজ্জিত থকা সমগ্ৰ জাতিটোক ওপৰলৈ আনিব।

ভাৰতীয় সংস্কৃতিৰ ঐতিহ্য পুনৰ উদ্ধাৰৰ বাবে স্বামী বিবেকানন্দই বেদ আৰু উপনিষদৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। উপনিষদসমূহৰ মহৎ বাণীসমূহে যে মানুহক মুক্তিৰ পথৰ সন্ধান দিব পাৰে সেই কথা তেওঁ মানুহৰ সন্মুখলৈ আনিছিল। মানুহে জীৱনত সন্মুখীন হোৱা দুৰ্বলতা আৰু হতাশাক দলিয়াই পেলাই প্ৰচণ্ড আত্মবিশ্বাস আৰু সাহসেৰে কিদৰে জীৱন সংগ্ৰামৰ মুখামুখি হ'ব লাগে তাৰ উপদেশ দিয়া আছে উপনিষদত। উপনিষদে বিশ্ব ভাতৃত্ব আৰু সংহতিৰ কথা কয়। 'অজ্ঞানতাই মানুহৰ মাজত বিভেদ-বৈষম্যৰ সৃষ্টি কৰে আৰু পাৰস্পৰিক ঘৃণাৰ জন্ম দিয়ে'— উপনিষদত থকা এই বাণীয়ে বিবেকানন্দক গভীৰভাৱে প্ৰভাৱিত কৰিছিল।

বেদ-উপনিষদৰ উপদেশৰদ্বাৰা প্ৰভাৱিত হোৱা বিবেকানন্দই বিভিন্ন গোষ্ঠীৰ মাজত সম্প্ৰীতিৰ সৃষ্টি কৰিবলৈ উদ্যোগ গ্ৰহণ কৰিছিল। বিশ্বজনীন ধৰ্মৰ ভিত্তি হিচাপে তেওঁ বেদান্ত দৰ্শনক প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। বিশ্বৰ বিভিন্ন ধৰ্মৰ লোকৰ মাজত সমন্বয় সাধনত বৈদান্তিক দৰ্শনৰ গুৰুত্ব যে অসীম সেই কথাত তেওঁৰ বিশ্বাস জন্মিছিল। সমগ্ৰ মানৱ জাতিৰ কল্যাণৰ হকে সকলো ধৰ্মৰ লোকে সমন্বয়, শান্তি আৰু সদিচ্ছাৰ মাজেৰে আগবাঢ়িব লাগিব বুলি তেওঁ কৈছিল। ধৰ্মীয় গোড়ামি, শত্ৰুতা আৰু বিবাদ-বিসংবাদ নিৰ্মূল কৰিবলৈ মানুহে সত্য আৰু সদিচ্ছাৰ পথেৰে আগবাঢ়িব লাগিব। ভাগৱৎ বিশ্বাসী সকলো মানুহক উদ্দেশ্যি তেওঁ সহিষ্ণুতা আৰু ধৰ্মীয় বিশ্বজনীনতাৰ কথা কৈছিল।

ধৰ্মৰ গুৰুত্ব ব্যাখ্যা কৰি তেওঁ কৈছিল— ধৰ্মই মানুহক সত্যৰ সন্ধান দিয়ে, মানুহৰ নীতিবোধক জাগ্ৰত কৰে আৰু উৎসাহ-উদ্দীপনাৰ উৎস হিচাপে কাম কৰে। বিশ্বৰ বিভিন্ন ধৰ্মীয় সন্মিলনসমূহত অংশগ্ৰহণ কৰি তেওঁ দিয়া ভাষণবোৰত বিশ্ববাসী মুগ্ধ হৈছিল। ১৮৯৯ চনত শেষবাৰৰ বাবে আমেৰিকা ভ্ৰমণলৈ গৈ তাত তেওঁ কেলিফৰ্ণিয়া, অকলেণ্ড আৰু আলামেডাত বেদান্ত শিক্ষাৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰে। ১৯০০ চনত স্বদেশলৈ ঘূৰি আহি কলকাতাত প্ৰথমে 'ৰামকৃষ্ণ মিছন' আৰু পিছত 'অদ্বৈত আশ্ৰম' প্ৰতিষ্ঠা কৰে। ৰামকৃষ্ণ মিছনৰ লক্ষ্য আছিল— (ক) বেদান্ত আৰু ধৰ্মীয় বিষয়ত মানুহক অনুপ্ৰাণিত কৰা, (খ) মানুহৰ মানসিক আৰু বৈষয়িক বিকাশ সাধনৰ স্বাৰ্থত প্ৰয়োজনীয় শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা আৰু (গ) শিল্প আৰু কাৰিকৰী বিষয়ত শিক্ষা প্ৰদান কৰা। জনসেৱাৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা এইগৰাকী মনীষীৰ মৃত্যু হয় ১৯০২ চনৰ জুলাই মাহৰ ৪ তাৰিখে।

স্বামী বিবেকানন্দই ৰচনা কৰা বিভিন্ন গ্ৰন্থসমূহ হ'ল— 'The East and West' (1909), 'Practical Vedanta', 'Karmayoga, raja yoga, Jnana yoga, Bhakti yoga', Bortoman Bharat (1899) ইত্যাদি। উল্লেখযোগ্য যে স্বামী বিবেকানন্দৰ জন্মদিন ১২ জানুৱাৰীৰ দিনটোক ৰাষ্ট্ৰীয় যুৱ দিৱস (National Youth Day) হিচাপে পালন কৰা হয়।

'The greatest man India produced in recent centuries was not Gandhi but Vivekananda' – Ambedkar
'Vivekananda saved Hinduism, saved India' – Chakravarti Rajagopalachari
'Vivekananda was maker of modern India' – Subhash Chandra Bose

## ধৰ্ম আৰু বেদান্ত সম্পৰ্কে বিবেকানন্দ
## [VIVEKANANDA ON DHARMA AND VEDANTA]

বিশ্বৰ বিভিন্ন ধৰ্মীয় গোষ্ঠীসমূহৰ মাজত সম্প্ৰীতি সৃষ্টিৰ বাবে স্বামী বিবেকানন্দই বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল। এই সম্প্ৰীতি সৃষ্টিত তেওঁ বেদান্তক সৰ্বোৎকৃষ্ট সহায়ক হিচাপে বিবেচনা কৰিছিল। বেদান্ত দৰ্শনকে তেওঁ মানুহৰ বিশ্বজনীন ধৰ্মৰ ভিত্তি হিচাপে জ্ঞান কৰিছিল। তেওঁ কৈছিল বিভিন্ন ধৰ্মৰ মাজত বাহ্যিক দৃষ্টিকোণৰ পৰা বৈসাদৃশ্যতা দেখা পালেও সকলো ধৰ্মৰ অন্তৰ্নিহিত মূলকথা হ'ল মানৱ প্ৰেম আৰু সহনশীলতা। সকলো ধৰ্মই মানৱ জাতিৰ কল্যাণৰ হকেই চেষ্টা কৰে। তেওঁৰ মতে, এটা ধৰ্মৰ মাজত যদি সত্য থাকে, তেন্তে সকলো ধৰ্মৰ মাজতেই সত্য থাকিব। তেওঁ সকলো ধৰ্মকে সমান চকুৰে চাইছিল আৰু সকলো ধৰ্মৰ নীতিসমূহ অধ্যয়নো কৰিছিল। বিভিন্ন ধৰ্মৰ মাজত থকা গুণাৱলীসমূহ দেখি তেওঁ সেইবোৰৰ প্ৰশংসা কৰিছিল। ধৰ্মৰ তাৎপৰ্য ব্যাখ্যা কৰি তেওঁ কৈছে ধৰ্মই মানুহক সৎ আচৰণ কৰিবলৈ শিকায় তথা আনৰ কল্যাণ সাধন কৰাৰ বাবে মানুহক অনুপ্ৰাণিত কৰে। ধৰ্মই মানুহক মূল্যবোধ সম্পৰ্কত সচেতন কৰে, মানুহৰ সৎ চেতনাক জাগ্ৰত কৰে। ধৰ্মই মানুহক সত্যৰ সন্ধান কৰিবলৈ শিকায় আৰু উৎসাহ-অনুপ্ৰেৰণাৰ উৎস হিচাপে ই নিজৰ ভূমিকা পালন কৰে। গতিকে মানুহ তথা সমাজৰ বাবে ধৰ্ম অতিকৈ প্ৰয়োজন। ধৰ্ম অবিহনে মানুহ বিপথে পৰিচালিত হ'ব তথা সমাজো কক্ষচ্যুত হ'ব। তেওঁ কৈছিল — 'Religion is the idea which is raising the brute into man and man into God.' অৰ্থাৎ ধৰ্মই পাষণ্ডক মানুহ আৰু মানুহক দেৱতালৈ ৰূপান্তৰ কৰে।

তেওঁৰ মতে, হিন্দু-খ্ৰীষ্টান-ইছলাম আদি ধাৰণাই মানুহৰ মাজৰ ভাতৃত্ব বন্ধনত হেঙাৰ হৈ থিয় দিয়ে। এনে ধাৰণা সামাজিক সংহতিৰ বাবে ক্ষতিকাৰক। তেওঁৰ মতে, সকলো ধৰ্মই ভালপোৱাৰ কথা কয়, মানৱ জাতিৰ কল্যাণৰ কথা কয়। গতিকে সকলো ধৰ্মৰ মানুহৰ মাজত প্ৰেম-ভালপোৱা থাকিব লাগে। সেই সময়ৰ ভাৰতীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত তেওঁ হিন্দু আৰু ইছলাম ধৰ্মৰ লোকৰ মাজত ভাতৃত্ববোধ সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ মতে, ভালপোৱাৰ অনুভূতিয়ে সমগ্ৰ বিশ্বকে নিজৰ ঘৰ বুলি জ্ঞান কৰোৱায়। ভালপোৱাই কেতিয়াও মানুহৰ মাজত বিভেদ সৃষ্টি নকৰে। বৰং মানৱতাবোধৰহে সৃষ্টি কৰে। গতিকে দেখা যায় ধৰ্ম বিষয়ত ধাৰণা আগবঢ়াবলৈ গৈ বিবেকানন্দই মানৱতাবোধত অধিক জোৰ দিছে। তেওঁ এনে এখন সমাজৰ পৰিকল্পনা কৰিছে য'ত সকলো মানুহৰ মাজত ভাতৃত্ববোধ থাকিব, প্ৰেম ভালপোৱা থাকিব। য'ত কোনো মানুহেই কাৰো প্ৰতি বৈষম্যমূলক আচৰণ নকৰিব। ধৰ্মৰ মানৱতাবাদী আদৰ্শৰ ওপৰত অধিক গুৰুত্ব দি বিবেকানন্দই কৈছিল যে সকলো মানুহৰ গাতেই ঈশ্বৰৰ অভিব্যক্তি দেখা যায়। গতিকে সকলোৱে সকলোৰে প্ৰতি সদ্ভাৱ ৰাখিব লাগে। তেওঁৰ মতে, ধৰ্মৰ গোড়া আচাৰ-নীতিসমূহে মানুহক অসহায়, দুৰ্বল কৰি তোলে। ইয়াৰ বিপৰীতে মানৱিক গুণসমৃদ্ধ ধৰ্মই মানুহক পৰিত্ৰাতাৰ প্ৰতিমূৰ্তি হিচাপে প্ৰতিপন্ন কৰে। সেয়ে ধৰ্মৰ গোড়া দিশবোৰ উপেক্ষা কৰি মানুহে মানৱ সেৱাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা উচিত। ইয়ে মানৱ জাতিৰ মাজত শান্তি-সম্প্ৰীতি আৰু ঐক্য প্ৰতিষ্ঠা কৰাত সহায় কৰিব।

বিবেকানন্দ অদ্বৈতবাদত বিশ্বাসী আছিল। তেওঁৰ মতে, প্ৰতিগৰাকী মানুহৰ গাত পৰম ব্ৰহ্মা ইশ্বৰ আছে। অৰ্থাৎ মানৱ আত্মা হৈছে ব্ৰহ্মাৰ সৰু এটা অংশ। তেওঁৰ মতে, এই পৃথিৱীৰ সকলো বস্তুৱেই হৈছে পৰম ব্ৰহ্ম অৰ্থাৎ ভগৱানৰ অংশ। এই আত্মা অমৰ। ইয়াৰ পৰিৱৰ্তন নাই, জন্ম নাই, মৃত্যু নাই। ইয়াৰ আদিও নাই অন্তও নাই। ই সদায় বৰ্তি থাকে। প্ৰকৃতি সলনি হয়, আত্মা সলনি নহয়। সংসাৰৰ মায়াত পৰি মানুহে নিজকে সলনি হোৱা বুলি

ভাবে। আচলতে আত্মাধাৰী মানুহ সলনি নহয়। উদাহৰণস্বৰূপে সূৰ্য অস্ত গ'লে আমি কওঁ বেলি ডুব গ'ল। কিন্তু দৰাচলতে সূৰ্য ডুব নাযায়, পৃথিৱীহে ঘূৰি থাকে। সংসাৰৰ মায়াৰ বাবে আমি এয়া বেলেগকৈ ভাবি লওঁ।

বিবেকানন্দৰ মতে, মানুহৰ মাজত নিখুঁত হোৱাৰ গুণ থাকে। সম্পূৰ্ণ হ'বৰ বাবে মানুহে অহৰহ প্ৰচেষ্টা কৰি থাকে। মানুহে নিজকে সংস্কাৰ কৰি কৰি সেই পৰ্যায়লৈকে লৈ যাব পাৰে, য'ত তেওঁ সম্পূৰ্ণ মানৱ হ'ব পাৰে। তেনে স্তৰত উপনীত হৈ মানুহে নিজকে ভগৱানৰ শাৰীত থ'ব পাৰে। তেওঁৰ মতে, ভগৱানে আমাক যুক্তি, বুদ্ধি, জ্ঞান সকলো দিছে। মাত্ৰ আমি আজীৱন এইবোৰৰ সফল প্ৰয়োগ কৰিব লাগে। তেওঁ কৈছিল— যেতিয়াই মানুহ এজন স্বাৰ্থশূন্য হ'ব পাৰে, তেতিয়াই তেওঁ ভগৱানৰ শাৰীত পৰে। তেওঁৰ ভাষাত— 'স্বাৰ্থশূন্যতাই ভগৱান। এজন সিংহাসনত বহি, সোণৰ কাৰেঙত বাস কৰিও যদি সম্পূৰ্ণ নিঃস্বাৰ্থ হয়, তেনেহ'লে তেওঁ ঈশ্বৰৰ মাজতেই আছে। আনহাতে এজন ফটা-ছিটা কাপোৰ পিন্ধি পঁজা ঘৰত বাস কৰিছে— জগতত তেওঁৰ নিজৰ একোকে নথকা সত্ত্বেও যদি তেওঁ স্বাৰ্থপৰ হয়, তেনেহ'লে তেওঁ গভীৰভাৱে সংসাৰত ডুবি আছে।' তেওঁ পুনৰ কৈছিল— 'ধৰ্মৰ ৰহস্য তত্ত্বকথাত নহয়— আচৰণতে হয়। সৎ হোৱা আৰু সৎকৰ্ম কৰা— তাৰ মাজতেই সমস্ত ধৰ্ম। 'প্ৰভু প্ৰভু' বুলি চিঞৰাজন নহয়, যিজনে ঈশ্বৰৰ ইচ্ছানুযায়ী কাম কৰি যায় তেওঁহে আচল ধাৰ্মিক।' তেওঁৰ মতে, পৰোপকাৰেই ধৰ্ম, পৰপীড়নেই পাপ। শক্তি আৰু সাহসিকতাই ধৰ্ম। দুৰ্বলতা আৰু কাপুৰুষতাই পাপ। স্বাধীনতাই ধৰ্ম, পৰাধীনতাই পাপ। আনক ভালপোৱাই ধৰ্ম, আনক ঘৃণা কৰাই পাপ। ঈশ্বৰত তথা নিজ আত্মাত বিশ্বাসেই ধৰ্ম, অভেদ সন্দেহেই পাপ। অভেদ দৰ্শনেই ধৰ্ম, ভেদ দৰ্শনেই পাপ। ধৰ্ম মানে শাস্ত্ৰপাঠ, তত্ত্বকথা বা মতবাদ নহয়— ধৰ্ম মানে আদৰ্শস্বৰূপ 'হোৱাৰ চেষ্টা কৰা' আৰু 'হৈ যোৱা' (It is being and becoming)

তেওঁৰ মতে, সমাজত থকা কুপ্ৰথাসমূহ ধৰ্মৰ বাবে হোৱা নাই। সমাজ জীৱনত ধৰ্মক ভুল ব্যাখ্যা কৰিহে কু-প্ৰথাৰ সৃষ্টি কৰা হৈছে। সেয়ে ধৰ্ম সলনি কৰাৰ প্ৰয়োজন নাই। ধৰ্মৰ নামত মিছাকৈ সৃষ্টি কৰা কুপ্ৰথাসমূহ নাইকিয়া কৰি পৱিত্ৰ আৰু নিঃস্বাৰ্থ হ'বলৈ যত্ন কৰিব লাগে।

গতিকে দেখা যায় বিবেকানন্দই আগবঢ়োৱা ধৰ্মৰ ধাৰণাত স্বতন্ত্ৰতা, সমতা আৰু ভাতৃত্ববোধ নিহিত আছে। তেওঁৰ মতে, মোক্ষপ্ৰাপ্তি মানুহৰ প্ৰথম উদ্দেশ্য। মোক্ষ প্ৰাপ্তিয়ে আত্মাক স্বাধীনতা দিয়ে। এই ধাৰণাত স্বতন্ত্ৰতাৰ ছবি স্পষ্ট হৈছে। তেওঁ আকৌ কৈছিল — প্ৰত্যেক মানুহ ঈশ্বৰৰ অংশ। অৰ্থাৎ সকলো সমান। কোনেও কাকো বৈষম্যমূলক দৃষ্টিৰে নাচাই সকলোৰে মাজত ভাতৃত্ববোধৰ ভাব জগাই তুলিব লাগে। যিহেতু আমি সকলো ঈশ্বৰে সৃষ্টি, গতিকে আমি সকলো ভাতৃ-ভগ্নী। ১৮৮৩ চনত চিকাগো চহৰত ভাষণ দি তেওঁ পোনতেই সভাত উপস্থিত থকা সকলোকে সম্বোধন কৰিছিল— 'মৰমৰ ভাতৃ আৰু ভগ্নীসকল'। এই বাক্যশাৰীয়ে সকলোৰে আত্মা চুই গৈছিল আৰু দুই মিনিট ধৰি সভাকক্ষত হাত চাপৰি বাজিয়েই আছিল।

বিবেকানন্দ আছিল এগৰাকী অগাধ পণ্ডিত। তেওঁ বেদ, বেদান্ত, পুৰাণ, ভাগৱত ইত্যাদি ধৰ্মশাস্ত্ৰসমূহৰ পৰা যি জ্ঞান আহৰণ কৰিছিল সেইবোৰ আনকো দিছিল। বেদান্ত দৰ্শনৰ সহায়ত তেওঁ বিভিন্ন ধৰ্মীয় গোষ্ঠী আৰু ধৰ্মীয় বিশ্বাসৰ মাজত সামঞ্জস্য প্ৰতিষ্ঠা আৰু সম্প্ৰীতিৰ সৃষ্টি কৰিব বিচাৰিছিল। বৈদান্তিক দৰ্শনক তেওঁ বিশ্বজনীন ধৰ্মৰ ভিত্তি হিচাপে বিশ্বাস কৰিছিল। বেদান্ত শব্দই এহাতে উপনিষদসমূহক আৰু আনহাতে বেদান্ত সূত্ৰক বুজায়। উপনিষদত বেদৰ শেষ লক্ষ্য বা সিদ্ধান্ত সন্নিৱিষ্ট হৈছে। সেইবাবেই উপনিষদক বেদান্ত বোলা হয়। এই উপনিষদসমূহত মানুহৰ ওপৰত বিশ্বাস আৰু আস্থা ৰখাৰ কথা কোৱা হৈছে। মানুহে হতাশা আৰু দুৰ্বলতাক দলিয়াই প্ৰবল আত্মবিশ্বাসেৰে জীৱন সংগ্ৰাম চলাই নিয়াৰ উপদেশ দিয়া হৈছে। সমগ্ৰ বিশ্ব আৰু বিশ্ববাসীৰ সংহতিৰ লগতে মানৱ

জাতিৰ সৌভাতৃত্ব আৰু সম্প্ৰীতিৰ কথা উপনিষদত আছে। মানুহৰ মুক্তিৰ পৰামৰ্শ কেৱল উপনিষদতহে পোৱা যায়। এই বেদান্ত দৰ্শন সঠিকভাৱে ব্যাখ্যা ও বিশ্লেষণ কৰাৰ বাবে বিবেকানন্দই সমগ্ৰ জীৱনজুৰি সক্ৰিয় ভূমিকা পালন কৰিছিল। বেদান্তত থকা শিক্ষা— 'অজ্ঞানতাই মানুহৰ মাজত বিভেদতাৰ সৃষ্টি কৰে আৰু পাৰস্পৰিক বিদ্বেষ আৰু ঘৃণাৰ জন্ম দিয়ে'— এই বাণীৰদ্বাৰা বিবেকানন্দ বিশেষভাৱে প্ৰভাৱিত হৈছিল। তেওঁ বেদান্তৰ ব্যাখ্যাৰে সমগ্ৰ ভাৰতবাসীক জ্ঞান দিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ ব্যাখ্যা শুনি ভাৰতবৰ্ষৰ পণ্ডিতসকল অতিশয় বিস্ময়ান্বিত হৈছিল। তেওঁ ভাৰতবাসীক আধ্যাত্মিক শিক্ষাৰ জৰিয়তে পৃথিৱী জয় কৰিবলৈ প্ৰেৰণা যোগাইছিল। বেদ-বেদান্তৰ দৰ্শনেৰে এক জাতীয় চৰিত্ৰ গঠন কৰাটো তেওঁ দেশৰ বাবে অতিকৈ প্ৰয়োজনীয় বুলি উপলব্ধি কৰিছিল। তেওঁৰ যুক্তিপূৰ্ণ বেদৰ ব্যাখ্যা মানুহে মনোযোগেৰে শুনিছিল আৰু কম সময়ৰ ভিতৰতে তেওঁ এক আধ্যাত্মিক নৱজাগৰণ গঢ়ি তুলিবলৈ সক্ষমো হৈছিল। বেদান্ত দৰ্শন তেওঁ কেৱল ভাৰততেই নহয়, ইয়াৰ বাণীসমূহ ইংৰাজীলৈ অনুবাদ কৰি সমগ্ৰ পৃথিৱীত প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছিল। বিভিন্ন ধৰ্মীয় সংসদত তেওঁ নিজৰ ভাষণত হিন্দু ধৰ্ম তথা সমাজখনৰ সহিষ্ণুতা আৰু উদাৰতাৰ ভেটি যে যথেষ্ট গভীৰ সেয়া প্ৰমাণসহকাৰে দেখুৱাই দিছিল।

## বিবেকানন্দৰ আদৰ্শ সমাজ
## [VIVEKANANDA CONCEPTION OF IDEAL SOCIETY]

স্বামী বিবেকানন্দই যিখন আদৰ্শ সমাজৰ পৰিকল্পনা কৰিছিল সেই সমাজ আছিল স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁ আদৰ্শ সমাজৰ কথা ক'বলৈ গৈ প্ৰথমে সমাজত চতুৰ্বৰ্ণ ব্যৱস্থাই কৰা শাসনৰ ঐতিহাসিক আৱৰ্তন-চক্ৰ (Historical Cycle)ৰ বিষয়ে কৈছে। তেওঁ হিন্দু সমাজৰ বৰ্ণবিন্যাসৰ এক তাত্ত্বিক বিশ্লেষণ কৰি কৈছে যে প্ৰত্যেক মানুহৰে গাত সত্ব, ৰজঃ আৰু তমঃ এই তিনিটা গুণ থকা দেখা যায়। এই সমস্ত গুণৰ অধিকাৰ সূত্ৰে সমাজত বাস কৰা ব্যক্তিসকলক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিটা বৰ্ণ ব্যৱস্থাত ভাগ কৰা হয়। সত্ব অৰ্থাৎ সৎ গুণৰ অধিকাৰী, ৰজঃ অৰ্থাৎ ৰাজসিক আৰু তমঃ অৰ্থাৎ তামসিক (খং, ৰাগ, অস্থিৰ) এই তিনিটা গুণৰ বাবে প্ৰত্যেক সমাজত কিছুমান লোকক শিক্ষা, জ্ঞান আদি ভাল দিশবোৰেৰে সমৃদ্ধ হোৱা দেখা যায়। কিছুমানক ৰাজসিক সুখ-ভোগৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায় আৰু কিছু লোকক অস্থিৰ প্ৰকৃতিৰ হোৱা দেখা যায়। এনে ধৰণৰ গুণবোৰৰ বাবেই সমাজত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিটা জাতিৰ উদ্ভৱ হয়। বিবেকানন্দৰ মতে, প্ৰত্যেক মানুহেই একো একোটা নিৰ্দিষ্ট সময়ত বিভিন্ন মাত্ৰাত সত্ব, ৰজঃ আৰু তমঃ এই তিনিওটা গুণৰ আচৰণ কৰে। তেওঁ উদাহৰণসহকাৰে ব্যাখ্যা কৰি কৈছে যে যদি এজন ব্যক্তি পাৰিশ্ৰমিকৰ বিনিময়ত আনৰ সেৱা কৰে, তেতিয়া সেই ব্যক্তিগৰাকী শূদ্ৰ বৰ্ণৰ কাম কৰা বুলি কোৱা হয়। সেই ব্যক্তিগৰাকী যদি মুনাফা অৰ্জনৰ বাবে ব্যৱসায়িক কাম-কাজ কৰে, তেতিয়া তেওঁ বৈশ্য হয়। সেই একেজন ব্যক্তিয়েই যদি অন্যায়ৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হয়, তেতিয়া তেওঁ ক্ষত্ৰিয় আৰু যেতিয়া তেওঁ ঈশ্বৰৰ আৰাধনাত ধ্যানমগ্ন হয় তেতিয়া তেওঁ ব্ৰাহ্মণ হয়। অৰ্থাৎ এজন ব্যক্তিয়েই ভূমিকাগত পাৰ্থক্যৰ বাবে এটা জাতিৰপৰা আন এটা জাতিৰ মৰ্যাদা লাভ কৰিব পাৰে। অৰ্থাৎ জাতি ব্যৱস্থা জন্মগত নহয়, ই কৰ্মৰ ওপৰতহে নিৰ্ভৰ কৰে।

বিবেকানন্দৰ মতে, সকলো দেশৰ সমাজতেই জাতি ব্যৱস্থাৰ উপস্থিতি দেখা যায়। ভাৰতৰ সমাজ ব্যৱস্থাত বৰ্ণ বিন্যাসৰ ভিত্তিত এই বিভাজন দেখা যায়। জাতিভেদ প্ৰথাৰ সুযোগ লৈ ভাৰতীয় সমাজত তথাকথিত নিম্নবৰ্ণৰ মানুহৰ ওপৰত উচ্চ বৰ্ণৰ মানুহে শোষণ-নিষ্পেষণ কৰিছিল। এনে ব্যৱস্থা মুঠেও যুক্তিসংগত নহয় বুলি স্বামী বিবেকানন্দই এই ব্যৱস্থাৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিল। তেওঁ কৈছিল— সমাজত বৰ্ণ ব্যৱস্থাৰ প্ৰয়োজন আছে। কিন্তু

জন্মগত বৰ্ণব্যৱস্থা নহয়। যি বৰ্ণ ব্যৱস্থাই সমাজত উচ্চ-নীচ ভেদাভেদ আনে, অস্পৃশ্যতাৰ সৃষ্টি কৰে, তেনে বৰ্ণ ব্যৱস্থাৰ তেওঁ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। আদৰ্শ বৰ্ণ ব্যৱস্থাৰ বিষয়ে তেওঁৰ ধাৰণা আছিল এনে ধৰণৰ— হিন্দু সমাজৰ সাংগঠনিক ব্যৱস্থাত চতুৰ্বৰ্ণৰ বিন্যাস হ'ল এক আদৰ্শ ব্যৱস্থা। এই ব্যৱস্থাত জ্ঞানী পুৰুষসকল অৰ্থাৎ ব্ৰাহ্মণসকলে জ্ঞানৰ অনুশাসন আৰু বিজ্ঞানৰ বিকাশ আৰু বিস্তাৰৰ ক্ষেত্ৰত সহায় কৰিব। সমাজত শান্তি-শৃংখলা সুনিশ্চিত কৰিব ক্ষত্ৰিয়সকলে। ব্যৱসায়-বাণিজ্যৰ দায়িত্ব পালন কৰিব বৈশ্যসকলে। শূদ্ৰসকলে সাম্যৰ প্ৰতিনিধিত্ব কৰিব। এনেদৰে সমাজত জ্ঞান, নিৰাপত্তা, অৰ্থনীতি আৰু সাম্য এই চাৰিওটা প্ৰতিষ্ঠা হ'লে তেনে সমাজ আদৰ্শ সমাজলৈ ৰূপান্তৰ হয়। কিন্তু তেওঁৰ মতে, এই চাৰিওটা নীতিৰ সম্পূৰ্ণ সহাৱস্থান সুনিশ্চিত কৰা সহজ নহয়। কিয়নো, প্ৰত্যেক বৰ্ণৰ লোকে নিজৰ গুণ আৰু ক্ষমতাক কুক্ষিগত কৰি ৰাখিবলৈ চেষ্টা কৰে আৰু ইয়াৰ বাবে প্ৰায়েই তেওঁলোকে দুষ্কাৰ্য সংঘটিত কৰে। ইয়াৰ ফলত সমাজ এখনত অৱক্ষয়ৰ সৃষ্টি হয়। প্ৰত্যেকটো গোষ্ঠীয়ে জ্ঞান, ক্ষমতা আদি নিজৰ মাজতে কুক্ষিগত কৰি ৰখাৰ প্ৰয়াসে গোষ্ঠীসমূহৰ মাজত সংঘাতৰো সৃষ্টি কৰে।

বিবেকানন্দৰ মতে, সমাজ বা ৰাষ্ট্ৰই ঐতিহাসিক আৱৰ্তন চক্ৰৰে গতি কৰে। এই চক্ৰত সমাজৰ চাৰিওটা বৰ্ণই এটা এটাকৈ শাসন কৰে। তেওঁৰ মতে, সমাজৰ বিকাশৰ প্ৰথম অৱস্থাত ব্ৰাহ্মণসকলে শাসন কৰিছিল। সেই সমাজত ব্ৰাহ্মণসকল জ্ঞান তথা বুদ্ধিত পাকৈত হোৱা বাবে তেওঁলোকেই আন বৰ্ণসকলক শাসন কৰিব পাৰিছিল। এই শাসন ব্যৱস্থাক মাৰ্ক্সে উল্লেখ কৰা মালিক-দাস সমাজ বুলিব পাৰি য'ত মালিক (প্ৰভু) শ্ৰেণীয়ে শাসন কৰে আৰু দাসসকল শাসিত হয়। ব্ৰাহ্মণ শ্ৰেণীয়ে শাসন কৰা সেই সময়ৰ শাসনত জ্ঞান-বিজ্ঞানৰ যথেষ্ট বিকাশ হোৱাৰ লগতে আধ্যাত্মিকভাৱেও সমাজ যথেষ্ট আগবাঢ়ি গৈছিল। সেই শাসন ব্যৱস্থাৰ এনেবোৰ ভাল গুণ থকাৰ উপৰিও কেতবোৰ বেয়া দিশো আছিল। বেয়া দিশৰ ভিতৰত জ্ঞানৰ একাত্মবাদ অৰ্থাৎ ব্ৰাহ্মণ শ্ৰেণীয়ে কেৱল নিজৰ মাজতেই জ্ঞানৰ বিস্তাৰ কৰা কাৰ্য, অন্য শ্ৰেণীৰ লোকসকলক জ্ঞান লাভৰ সুবিধা নিদি অন্ধকাৰত ৰখা, ধৰ্মীয় সৰ্বস্বতা, ক্ষমতাক কুক্ষিগত কৰা আদিসমূহ অন্যতম আছিল। এনেবোৰ কাৰ্যৰ বাবে শাসিতসকলে শাসক শ্ৰেণীক বেয়া পাবলৈ আৰম্ভ কৰে আৰু শাসক-শাসিতৰ মাজত সম্পৰ্ক বেয়া হয়। বিবেকানন্দৰ মতে, সমাজ ব্যৱস্থা যিয়েই নহওক কিয়, শাসকসকলে সদায়েই শাসিতসকলৰ লগত সম্পৰ্ক ভাল কৰি ৰাখিব লাগে। অন্যথা শাসন দীৰ্ঘস্থায়ী নহয়। শাসিতসকলক গুৰুত্ব নিদিলে শাসক শ্ৰেণীয়ে ক্ষমতাত দীৰ্ঘদিন ধৰি থাকিব নোৱাৰে। শাসক ব্ৰাহ্মণ শ্ৰেণীয়ে অন্য বৰ্ণৰ লোকসকলৰপৰা নিজকে আঁতৰাই জ্ঞান, ক্ষমতা, অৰ্থনীতি সকলো নিজৰ মাজতেই ৰাখিবলৈ প্ৰয়াস কৰাৰ বাবে ক্ষত্ৰিয় লোকসকলে শাসকৰ বিৰুদ্ধে বিদ্ৰোহ কৰে আৰু শাসন তেওঁলোকে হস্তগত কৰে।

ক্ষত্ৰিয়সকলে কৰা শাসনক সামৰিক শাসন বুলিব পাৰি। মাৰ্ক্সৰ ভাষাৰে তেনে শাসনৰ সমাজ ব্যৱস্থাক সামন্ত সমাজ ব্যৱস্থা বুলি কোৱা হয়। ক্ষত্ৰিয়সকলৰ শাসনকালত দেশত শিল্পকলা আৰু সংস্কৃতিৰ অভূতপূৰ্ব বিকাশ সাধন হয়। পূৰ্বতে ব্ৰাহ্মণ শ্ৰেণীৰ মাজতে সীমিত থকা জ্ঞান ক্ষত্ৰিয়সকলৰ মাজতো বিস্তাৰ হয়। এইবোৰ ভাল দিশ থকাৰ উপৰিও ক্ষত্ৰিয়সকলৰ শাসন ব্যৱস্থাত থকা বেয়া দিশবোৰ হ'ল — এই শাসন আছিল নিষ্ঠুৰ আৰু স্বেচ্ছাচাৰী। প্ৰজাসকলে অতি সীমিত অধিকাৰহে লাভ কৰিছিল। ক্ষত্ৰিয়সকলৰ শাসনো উপযুক্ত নোহোৱাত সেইবাৰ বৈশ্যসকল শাসনলৈ আহে। অৰ্থাৎ বাণিজ্যিক শাসন আৰম্ভ হয়, য'ত বজাৰ উৎপাদন ব্যৱস্থা আদিয়ে প্ৰাধান্যতা লাভ কৰে। এনে সমাজ ব্যৱস্থাক মাৰ্ক্সে পুঁজিবাদী শাসন বুলি অভিহিত কৰিছিল। বৈশ্যসকলৰ শাসনত জ্ঞানৰ বিশ্বব্যাপী সম্প্ৰসাৰণ হয়। সমতা, স্বতন্ত্ৰতা, অধিকাৰ আদি ধাৰণাসমূহৰ বিস্তাৰ হয়। অৱশ্যে এনে শাসন ব্যৱস্থাতো বিয়োগাত্মক দিশ কিছুমান থকা দেখা যায়। এই শাসনত নীৰৱে শোষণ চলে। পুঁজিপতি বণিয়াসকলে শ্ৰমিকক শোষণ কৰে। ৰাজনৈতিক সমতা আৰু স্বতন্ত্ৰতা থাকিলেও প্ৰকৃততে সমাজত অসমতা থকা দেখা যায়। ধনী-দুখীয়াৰ মাজত ব্যৱধান বাঢ়ে। গতিকে বৈশ্যসকলৰ এই শাসনো স্থায়ী নহয় আৰু বৈশ্যসকলৰ শাসন-শোষণ

আঁতৰাই শূদ্ৰসকলে (সাধাৰণ দুখীয়া শ্ৰেণী) শাসন লাভ কৰে। এনে শাসনক মাৰ্ক্সে সৰ্বহাৰাৰ শাসন আৰু সমাজখনক সাম্যবাদী সমাজ নামেৰে উল্লেখ কৰিছিল। শূদ্ৰ শ্ৰেণীয়ে কৰা এই শাসনৰ সুফলসমূহ হ'ল— বস্তুগত সমতা, বিতৰণমূলক ন্যায়, সামগ্ৰিক শিক্ষাৰ প্ৰসাৰ ইত্যাদি। কিন্তু এনে শাসন ব্যৱস্থাতো সমাজৰ কিছু ক্ষতি হ'ব। বিবেকানন্দৰ মতে, শূদ্ৰসকলৰ শাসনৰ সময়ত সমাজৰ সামগ্ৰিক সংস্কৃতিৰ কিছু অধঃপতন হ'ব। শিক্ষাৰ বিস্তাৰ ঠিকেই হ'ব কিন্তু মানদণ্ড নিম্নগামী হ'ব।

এনেদৰে বিবেকানন্দৰ মতে, সমাজ আৰু শাসন ব্যৱস্থা চক্ৰাকাৰে আটাইকেইটা বৰ্ণৰদ্বাৰা নিয়ন্ত্ৰিত হয়। তেওঁৰ মতে, সমাজৰ বৰ্ণ বিন্যাস ব্যৱস্থা এক দৰকাৰী ব্যৱস্থা। জ্ঞান, নিৰাপত্তা, অৰ্থনীতি আৰু সাম্য এই চাৰিওটা দিশৰ বহুল প্ৰসাৰৰ বাবেই বৰ্ণ বিন্যাসৰ প্ৰয়োজন। কিন্তু এই বিন্যাসক তেওঁ জন্মগত হোৱাৰ পৰিৱৰ্তে জ্ঞানৰ ওপৰত আধাৰত হ'ব লাগে বুলি মতপোষণ কৰিছে। তেওঁৰ মতে, যেতিয়ালৈ প্ৰয়োজন থাকিব তেতিয়ালৈ বৰ্ণ ব্যৱস্থাৰ প্ৰচলন থাকিব লাগে। অৰ্থাৎ সমাজৰ সকলো লোকেই জ্ঞানৰ ভাণ্ডাৰেৰে পৰিপূৰ্ণ হৈ সম্পূৰ্ণ মানৱ নোহোৱালৈ বৰ্ণ ব্যৱস্থাৰ প্ৰয়োজন আছে।

ওপৰোক্ত ধৰণে সমাজ বা ৰাষ্ট্ৰ আৰু শাসন ব্যৱস্থাৰ বিৱৰ্তনৰ কথা কৈ বিবেকানন্দই তেওঁৰ আদৰ্শ সমাজৰ বিষয়ে নিজৰ ধাৰণা আগবঢ়াইছে। তেওঁৰ মতে, এখন আদৰ্শ সমাজত তলত দিয়া বিষয়বোৰ থাকিব লাগে ঃ

১। আদৰ্শ সমাজত প্ৰত্যেকগৰাকী লোকেই ব্ৰাহ্মণ হ'ব। অৰ্থাৎ সকলো লোকেই জ্ঞানৰে পৰিপূৰ্ণ হ'ব। কোনো উচ্চ-নীচ, জাতি-ভেদ নাথাকিব। সকলো লোকৰেই সমান অধিকাৰ থাকিব।

২। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ — এই চাৰিওটা শ্ৰেণীৰ শাসনৰ ভাল দিশবোৰ একেলগ কৰি বেয়া দিশবোৰ আঁতৰাই আদৰ্শ সমাজ প্ৰতিষ্ঠা হ'ব। ব্ৰাহ্মণ শ্ৰেণীৰ শাসনৰ জ্ঞান, ক্ষত্ৰিয় শ্ৰেণীৰ সংস্কৃতি, বৈশ্য শ্ৰেণীৰ বিতৰণমূলক উদ্যম আৰু শূদ্ৰ শ্ৰেণীৰ শাসনৰ সমতাবাদ— এই ভাল দিশবোৰেৰে আদৰ্শ সমাজ গঠন হ'ব।

৩। আদৰ্শ সমাজত কোনো ঘৃণা-বিদ্বেষ নাথাকিব। সকলোৱে মৰম-ভালপোৱা আৰু সমন্বয়ৰ আদৰ্শত জীৱন নিৰ্বাহ কৰিব।

৪। বিবেকানন্দৰ মতে, আদৰ্শ সমাজ সেইখন য'ত চৰম সত্য বাস্তৱত পৰিণত হয়, য'ত মানুহৰ ঐশ্বৰিক গুণসমূহ অনুধাৱন কৰা হয়। চৰম সত্য এয়েই যে সকলো মানৱ পৰম ব্ৰহ্মৰ অংশ। আত্মাৰ মৰণ নাই, ই কেৱল শৰীৰহে সলায়। সকলো আত্মা যিহেতু ঈশ্বৰৰ অংশ গতিকে মানুহ হ'ল ঈশ্বৰৰেই ৰূপ। গতিকে সকলোকে সমান দৃষ্টিৰে চাব লাগে। যি সমাজত এই সত্য সকলোৱে অনুধাৱন কৰিব, সেই সমাজেই হ'ব আদৰ্শ সমাজ।

৫। আদৰ্শ সমাজত সমাজ আৰু সমাজৰ অভিন্ন অংশ মানৱৰ মাজত এটা ভাৰসাম্যপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা হয়। এনে সমাজত মানুহে সমজুৱা স্বাৰ্থৰ বাবে আত্মস্বাৰ্থৰ বলিদান দিবলৈ প্ৰস্তুত থাকে। অৰ্থাৎ এনে ব্যৱস্থাত সমাজ আৰু মানুহ এক হয়, অনৈক্যৰ মাজত ঐক্যতা প্ৰতিষ্ঠা হয়।

৬। বিবেকানন্দই যিখন আদৰ্শ সমাজৰ কল্পনা কৰিছিল, তাত পশ্চিমীয়া সমাজ আৰু পূবৰ সমাজৰ মাজত সমন্বয় ঘটিছিল। অৰ্থাৎ তেওঁৰ মতে, পূবৰ সমাজৰ আধ্যাত্মিকতা আৰু পশ্চিমীয়া সমাজৰ উন্নত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সমাহাৰেৰে আদৰ্শ সমাজ প্ৰতিষ্ঠা হ'ব।

৭। তেওঁৰ কল্পিত আদৰ্শ সমাজখনত প্ৰত্যেকগৰাকী মানুহ সঁচা অৰ্থত স্বাধীন আৰু সমান মৰ্যাদাৰ অধিকাৰী হ'ব। প্ৰত্যেক মানুহেই বিকাশৰ পূৰ্ণ সুযোগ লাভ কৰিব, প্ৰত্যেকে প্ৰত্যেকক ভাতৃজ্ঞান

কৰিব আৰু দুখীয়া-পিছপৰাসকলৰ উন্নতিৰ বাবে সেৱা আগবঢ়াব। এই সেৱাক ভগৱানলৈ আগবঢ়োৱা সেৱা হিচাপে উছৰ্গা কৰিব।

৮। বিবেকানন্দৰ আদৰ্শ সমাজত সকলোৱে নিজৰ শৰীৰ, মন আৰু সম্পত্তিক আনৰ ক্ষতি নোহোৱাকৈ নিজৰ ইচ্ছা মতে ব্যৱহাৰ কৰাৰ অধিকাৰ আছিল। ইয়াত কোনো বৰ্ণগত, জাতিগত বিভেদৰ ব্যৱস্থা নাছিল।

৯। বিবেকানন্দই কল্পনা কৰা আদৰ্শ সমাজখনত স্বেচ্ছাচাৰী শাসনৰ কোনো ব্যৱস্থাই নাছিল। বল, সম্পদ, বুদ্ধি, জন্মগত পৰিচয় আদিৰ ফালৰপৰা কোনো লোকক প্ৰাধান্যতা দিয়া ব্যৱস্থা এই সমাজত নাছিল। তেওঁ কৈছিল মানৱ শৰীৰত থকা হৃৎপিণ্ডটোৰ কাম হ'ল শৰীৰৰ প্ৰত্যেক অংগলৈকে তেজ সঞ্চালন কৰা। ইয়াকে নকৰি যদি সমূহ তেজ হৃৎপিণ্ডটোৱে নিজেই ধৰি ৰাখে, তেন্তে মানৱ শৰীৰ অচল হ'ব। অৰ্থাৎ তেওঁ ইয়াকেই বুজাবলৈ বিচাৰিছে যে ৰাষ্ট্ৰ বা সমাজ এখনত জ্ঞান, ক্ষমতা আদি প্ৰত্যেক গোষ্ঠীৰ লোকৰ মাজলৈকে প্ৰবাহিত হ'ব লাগে। মাত্ৰ কেইজনমান লোকেহে যদি ইয়াক নিজৰ হাতৰ মুঠিত ৰাখে তেন্তে সমাজখন অচল হ'ব।

১০। তেওঁৰ মতে, সামাজিক আইনসমূহ প্ৰাকৃতিক আইনৰ ভেটিত প্ৰতিষ্ঠিত হ'ব লাগে। ইয়াৰ বাহিৰে প্ৰজাক সুৰক্ষা দিবলৈ ৰাষ্ট্ৰই যিবোৰ আইন ৰচনা কৰে সেইসমূহ সংখ্যাগৰিষ্ঠ লোকৰ সমৰ্থনপ্ৰাপ্ত হোৱাটো দৰকাৰ।

এনেদৰে স্বামী বিবেকানন্দই ওপৰোক্ত ধৰণে তেওঁৰ আদৰ্শ সমাজত থাকিবলগীয়া বিষয়বোৰৰ বৰ্ণনা কৰিছে। তেওঁৰ মতে, আদৰ্শ সমাজ প্ৰতিষ্ঠা কৰিবলৈ তলত দিয়া কৰণীয়সমূহ খুবেই প্ৰয়োজনীয়—

১। প্ৰথমে, আদৰ্শ সমাজ প্ৰতিষ্ঠাৰ প্ৰথম উপায়টো হ'ল শিক্ষাৰ বিস্তাৰ। সমাজৰ প্ৰত্যেকগৰাকী লোকে শিক্ষা লাভ কৰিলেহে আদৰ্শ সমাজ প্ৰতিষ্ঠা হ'ব।

২। দ্বিতীয়তে, ইতিবাচক সামাজিক বৈষম্য, যেনে- ৰাষ্ট্ৰৰদ্বাৰা প্ৰণিত 'কোটা' ব্যৱস্থা, সংৰক্ষণ ব্যৱস্থা, জলপানি ব্যৱস্থা ইত্যাদিৰ জৰিয়তে সমাজত সমতা প্ৰতিষ্ঠা। এই ব্যৱস্থাসমূহ সাধাৰণ লোকসকলৰ শিক্ষাৰ বাবে প্ৰণয়ন কৰাৰ কথা বিবেকানন্দই কৈছিল।

৩। তৃতীয়তে, নিম্ন শ্ৰেণী আৰু জাতিৰ লোকসকলক উচ্চ শ্ৰেণী আৰু জাতিৰ লোকসকলৰ সমপৰ্যায়লৈকে উন্নীত কৰা। তেওঁৰ মতে, সমাজৰ চতুৰ্বৰ্ণ ব্যৱস্থাত থকা তলৰ শ্ৰেণীকেইটা ক্ৰমে ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰসকলক এনেকৈ শিক্ষা প্ৰদান কৰিব লাগে আৰু ক্ষমতা লাভৰ সুবিধা দিব লাগে যাতে সকলো ব্ৰাহ্মণ শ্ৰেণীৰ সমপৰ্যায়ৰ হৈ উঠে। তেওঁৰ মতে, সকলো লোক ব্ৰাহ্মণ শ্ৰেণীৰ হ'ব অৰ্থাৎ সকলো জ্ঞানসম্পন্ন পূৰ্ণ মানৱত পৰিণত হ'ব।

৪। চতুৰ্থতে, ধৰ্মৰ প্ৰকৃত অৰ্থ বুজিবৰ বাবে সাংস্কৃতিক বিপ্লৱ সংঘটিত কৰিব লাগিব। ভাৰতীয় সংস্কৃতিৰ যি ঐতিহ্য সেয়া বাস্তৱত হৈ উঠিব লাগিব। সকলো এক ঈশ্বৰৰ সন্তান, সকলোৱে গাত পৰমব্ৰহ্ম ঈশ্বৰ আছে এনে ভাবেৰে পৰিপূৰ্ণ হ'ব পাৰিলে এখন সম্পূৰ্ণ সমতাপূৰ্ণ আদৰ্শ সমাজ প্ৰতিষ্ঠা হ'ব। ইয়ে সকলোৱে মাজত আত্মবিশ্বাসৰ সৃষ্টি কৰিব। নিজ দেশৰ ঐতিহ্যৰ প্ৰতি সকলো গৌৰৱান্বিত হ'ব।

## বিবেকানন্দৰ আদৰ্শ সমাজৰ মূল বৈশিষ্ট্যসমূহ
## [BASIC FEATURES OF VIVEKANANDA IDEAL SOCIETY]

বিবেকানন্দই আদৰ্শ সমাজ সম্পৰ্কে কৰা ব্যাখ্যা বিশ্লেষণ কৰিলে তলত দিয়া মূল বৈশিষ্ট্যসমূহ দেখা পোৱা যায়।

১। **উচ্চ বৰ্ণৰ কৰ্তৃত্বমূলক প্ৰাধান্যৰ বিৰোধিতা ঃ** বিবেকানন্দৰ আদৰ্শ সমাজৰ এটা প্ৰধান বৈশিষ্ট্য এই যে এনে সমাজত উচ্চ বৰ্ণৰ লোকসকলৰ কৰ্তৃত্বমূলক প্ৰাধান্যতাক নস্যাৎ কৰা হৈছে। সমাজৰ তথাকথিত উচ্চ জাতিৰ শোষণ-উৎপীড়নৰ বিৰুদ্ধে বিবেকানন্দই প্ৰতিবাদী আন্দোলন আৰম্ভ কৰিছিল। উচ্চ বৰ্ণৰ লোকসকলৰ বাবে থকা বিশেষ সা-সুবিধাৰ বৈষম্যমূলক নীতি ব্যৱস্থা তেওঁ বাতিল কৰাৰ কথা কৈছিল। তেওঁৰ আদৰ্শ সমাজত সকলো সমান।

২। **জাতিভেদ প্ৰথাৰ বিৰোধিতা ঃ** জাতিভেদ প্ৰথাৰ বিৰোধিতা তেওঁৰ আদৰ্শ সমাজৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। তেওঁ কৈছিল বৰ্ণ বিন্যাস প্ৰত্যেক সমাজৰেই এক প্ৰয়োজনীয় ব্যৱস্থা। পৃথিৱীৰ প্ৰত্যেক দেশতেই বিভিন্ন ৰূপত ইয়াৰ উপস্থিতি দেখা যায়। ভাৰতবৰ্ষতো চতুৰ্বৰ্ণ ব্যৱস্থা আছে। কিন্তু এই জাতিভেদ প্ৰথাৰ সুযোগ গ্ৰহণ কৰি তথাকথিত নিম্ন বৰ্ণৰ মানুহৰ ওপৰত উচ্চ বৰ্ণৰ মানুহৰ শাসন-শোষণ আদি মুঠেও গ্ৰহণযোগ্য নহয়। তেওঁৰ মতে, বৰ্ণভেদ ব্যৱস্থা হ'ল এক সামাজিক পৰিকল্পনা। এই বৰ্ণভেদ বা জাতিভেদ ব্যৱস্থাৰ ভিত্তিতে সমাজত উচ্চ-নীচ ভেদাভেদ, অস্পৃশ্যতা আদি ব্যাধিৰ সৃষ্টি হয়। বিবেকানন্দই এইবোৰৰ বিৰোধ কৰিছে আৰু কৈছে যে শিক্ষা বিস্তাৰৰ যোগেদি এনে কুপ্ৰথাৰ অৱসান ঘটাব লাগিব। তেওঁ ইয়াৰ দায়িত্ব ব্ৰাহ্মণসকলে জ্ঞানক নিজৰ মাজতে সীমাবদ্ধ নাৰাখি সমাজৰ সকলো বৰ্ণৰ লোকৰ মাজলৈ বোৱাই দিব লাগে। সকলো লোক যেতিয়া জ্ঞানৰ সাগৰত বুৰ গৈ জ্ঞানী হ'ব, শিক্ষিত হ'ব তেতিয়া এখন সমতাপূৰ্ণ আদৰ্শ সমাজ প্ৰতিষ্ঠা হ'ব।

৩। **অস্পৃশ্যতাৰ বিৰোধিতা ঃ** স্বামী বিবেকানন্দই অস্পৃশ্যতাৰ বিৰোধ কৰিছিল। তেওঁৰ আদৰ্শ সমাজ অস্পৃশ্যতামুক্ত আছিল। অস্পৃশ্যতামূলক আচৰণক তেওঁ প্ৰকাৰন্তৰে ঘৃণা কৰিছিল। এনে আচৰণক তেওঁ নিৰ্বোধৰ আচৰণ বুলি সমালোচনা কৰিছিল। তেওঁৰ মতে, কোনো লোকেই অস্পৃশ্য নহয়, কোনো ধৰ্মই অস্পৃশ্যতাৰ পাঠ নপঢ়ায়। সকলো মানৱ ঈশ্বৰৰ অংশ। সকলোকে সমান চকুৰে চাব লাগে।

৪। **নাৰী-পুৰুষৰ মাজত বৈষম্যৰ বিৰোধিতা ঃ** বিবেকানন্দৰ আদৰ্শ সমাজত নাৰী-পুৰুষ সকলোৰে সম স্বাধীনতা আৰু সমঅধিকাৰ আছিল। নাৰীক পৱিত্ৰ মাতৃমূৰ্তি হিচাপে মৰ্যাদা দিয়াৰ কথা কৈ তেওঁ কৈছিল— স্ত্ৰী জাতিক দাস কৰি ৰাখিলে, অৱহেলা কৰিলে তথা সদায় অনগ্ৰসৰ কৰি ৰাখিলে কোনো জাতিয়েই উন্নতিৰ জখলা বগাব নোৱাৰে। তেওঁ কৈছিল— 'ভাৰতৰ দুই মহাপাপ— নাৰীক পদদলিত কৰি ৰখা আৰু জাতিৰ নামত দুখীয়াক নিষ্পেষণ কৰা।' তেওঁ পুনৰ কৈছিল — 'নাৰী পূজাৰ মাজেৰেই সকলো জাতি ডাঙৰ হৈছে। যি দেশ বা জাতিৰ মাজত নাৰী পূজা নাই, সেই দেশ, সেই জাতি কেতিয়াও ডাঙৰ হ'বপৰা নাই।' ভাৰতৰ স্বাধীনতাত নাৰীৰ গুৰুত্ব বুজি তেওঁ কৈছিল— পাঁচশ পুৰুষৰদ্বাৰা ভাৰতবৰ্ষ জয় কৰোঁতে পঞ্চাশ বছৰ লাগিব, কিন্তু পাঁচশ নাৰীৰদ্বাৰা ই মাত্ৰ কেই সপ্তাহৰ ভিতৰতে সম্ভৱ হ'ব।' তেওঁ সেয়ে নাৰী জাতিৰ উন্নতিৰ বাবে নাৰীসকলক শিক্ষা প্ৰদানৰ কথা বাৰে বাৰে কৈছিল। নাৰীসকল শিক্ষিত নোহোৱালৈ আদৰ্শ সমাজ প্ৰতিষ্ঠা নহ'ব বুলি বিশ্বাস কৰিছিল।

৫। **মানৱতাবাদ ঃ** স্বামী বিবেকানন্দৰ আদৰ্শ সমাজৰ ধাৰণা আছিল প্ৰধানতঃ মানৱতাবাদী। সাধাৰণ অৰ্থত মানৱতাবাদে মানুহৰ এনে গুণ বুজায় যাৰদ্বাৰা মানুহক ভাল পাব পাৰি, মানুহৰ ভালৰ বাবে কাম কৰিব পাৰি। স্বামী বিবেকানন্দৰ মতে, মানুহৰ ওপৰত সম্পূৰ্ণ বিশ্বাস ৰাখিব লাগে। মানুহৰ বিশ্বাস কৰা মানে ঈশ্বৰক বিশ্বাস কৰা বুজায়। তেওঁ মানুহকেই ঈশ্বৰ জ্ঞান কৰিছিল। তেওঁৰ বিশ্বাস অনুসৰি মানুহ হৈছে এক পৱিত্ৰ সত্তা। মানুহ ঈশ্বৰৰ অংশ। এই সত্য সকলোৱে বুজি উঠা উচিত। এই পৰম সত্যক মানুহে বুজি উঠিলেই মানুহ সম্পূৰ্ণ হয়। আৰু এই সম্পূৰ্ণ মানুহৰদ্বাৰাই গঢ়ি উঠিব আদৰ্শ সমাজ। মানৱ সমাজত চলি থকা বিভিন্ন ভেদাভেদ, সাম্প্ৰদায়িকতা আদি ধাৰণাক বিৰুদ্ধাচৰণ কৰি বিবেকানন্দই মানুহৰ আধ্যাত্মিক উন্নতিত জোৰ দিছিল। তেওঁ ধৰ্মীয় দৰ্শনৰ জৰিয়তে তেওঁৰ মানৱতাবাদী আদৰ্শৰে মানৱাধিকাৰৰ হকে আৰু সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক সাম্য প্ৰতিষ্ঠাৰ বাবে সমগ্ৰ জীৱন অহোপুৰুষাৰ্থ কৰিছিল।

৬। **সামাজিক সমতাৰ ওপৰত প্ৰতিষ্ঠিত সমাজ ঃ** বিবেকানন্দৰ আদৰ্শ সমাজ হ'ল সামাজিক সাম্যৰ ওপৰত প্ৰতিষ্ঠিত সমাজ। তেওঁ আছিল সঁচা অৰ্থত এগৰাকী সমাজবাদী দাৰ্শনিক। হিন্দু সমাজৰ ৰক্ষণশীল বৰ্ণবিন্যাস তথা জাতিভেদ প্ৰথাৰ ভিত্তিত গঢ় লোৱা সামাজিক স্তৰ বিন্যাসৰ বিৰুদ্ধে তেওঁ মাত মাতিছিল। জাত-পাতৰ বৈষম্যভিত্তিক হিন্দু সমাজ ব্যৱস্থাৰপৰা সামাজিক বৈষম্য আঁতৰ কৰিবলৈ তেওঁ সামাজিক সাম্য প্ৰতিষ্ঠাৰ কথা কৈছিল। তেওঁ কল্পনা কৰা আদৰ্শ সমাজত সকলো লোকেই হ'ব ব্ৰাহ্মণ। অৰ্থাৎ জ্ঞানৰ অধিকাৰী। সকলোৱে সম অধিকাৰ পাব, সমান মৰ্যাদা লাভ কৰিব।

ওপৰত আলোচনা কৰা আদৰ্শ সমাজৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে সমাজ ব্যৱস্থাৰ প্ৰগতিশীল বিৱৰ্তনৰ ক্ষেত্ৰত বিবেকানন্দৰ ধাৰণা বিশেষভাৱে ব্যৱহাৰিক মূল্যবোধযুক্ত। আধুনিক যুগৰ বিভিন্ন সমাজ সংস্কাৰকসকলৰ ভিতৰত বিবেকানন্দ আছিল অধিক বাস্তৱবাদী। সমাজ সম্পৰ্কত তেওঁৰ ধাৰণাৰ ব্যৱহাৰিক গুৰুত্ব বিতৰ্কৰ উৰ্ধ্বত বুলি ক'ব পাৰি। তেওঁৰ মত অনুসৰি এখন আদৰ্শ সমাজত মানুহৰ মাজত সমন্বয় থাকিব, সদ্ভাৱ থাকিব, সম্প্ৰীতি থাকিব। তেওঁ কৈছে যে সমাজত বসবাস কৰা বলৱান, বলহীন, নাৰী-পুৰুষ, জাতি-বৰ্ণ-নিৰ্বিশেষে প্ৰত্যেক মানুহৰ মাজত অসীম সম্ভাৱনাময় আত্মাৰ অস্তিত্ব আছে। এনে সম্ভাৱনাময় আত্মাক বহন কৰি থকা মানুহৰ দ্বাৰাই গঠিত হৈছে সমাজ। গতিকে সমাজ হ'ল এক পৱিত্ৰ অনুষ্ঠান। তেওঁৰ মতে, যি সমাজ এই সত্যৰদ্বাৰা প্ৰতিষ্ঠিত, সেই সমাজেই হ'ল আদৰ্শ সমাজ, শ্ৰেষ্ঠ সমাজ। ('That society is the greatest where the highest truths become practical...... and if society is not fit for the highest truths, make it so, and the sooner the better.')

## বিবেকানন্দ আৰু জাতীয়তাবাদ
## [VIVEKANANDA AND NATIONALISM]

স্বামী বিবেকানন্দ ৰাজনীতিবিদ নাছিল। ব্যৱহাৰিক ৰাজনীতিৰ সৈতে তেওঁৰ কোনো সম্পৰ্ক নাছিল। এই সম্পৰ্কত পণ্ডিত জৱাহৰলাল নেহৰুৱে লিখিছে— 'He kept away from politics and disapproved of politicians of his days.' বিবেকানন্দ আছিল এগৰাকী আধ্যাত্মিকতাবাদী, মানৱতাবাদী সমাজ সংস্কাৰক। তেওঁ তেওঁৰ দৰ্শনক সংযুক্ত কৰিছিল দেশৰ মাটি, জাতি আৰু মানুহৰ সৈতে। তেওঁ সমাজ গঢ়াৰ হকে যিসমূহ চিন্তা আগবঢ়াইছে, তেওঁ ৰাজনীতিৰ সৈতে জড়িত নহ'লেও সেই চিন্তাসমূহে তেওঁৰ জাতীয়তাবাদী চিন্তাৰ উমান দিয়ে। তেওঁ ভাৰতীয় জাতি তথা সমাজৰ হকে আগবঢ়োৱা ধ্যান-ধাৰণা আৰু কাম-কাজসমূহৰ জৰিয়তে ভাৰতৰ

জাতীয়তাবাদী আন্দোলনৰ পথ প্ৰদৰ্শক হিচাপে চিহ্নিত হৈছে। বহুতেই আনকি বিবেকানন্দকেই ভাৰতবৰ্ষৰ আধুনিক জাতীয়তাবাদৰ জনক বুলিও অভিহিত কৰিব খোজে। ভাৰতবাসীক জগাই তুলিবৰ বাবে তেওঁৰ সাৰগৰ্ভ বক্তৃতাসমূহে ঔষধৰ দৰে কাম কৰিছিল। তেওঁ ভাৰতীয় জাতীয়তাবাদৰ ভিত্তিতেই ভাৰতীয়সকলৰ মাজত আত্মপ্ৰত্যয়, দৃঢ়তা আৰু ব্যক্তিত্ব গঢ়ি তুলিবলৈ যত্ন কৰিছিল। তেওঁ কৈছিল— 'উঠা, জাগা, লক্ষ্যত উপনীত নোহোৱালৈকে নিশ্চিন্ত হৈ নাথাকিবা; উঠা আৰু এবাৰ উঠা, কাৰণ ত্যাগ নহ'লে একোকে নহয়।' তেওঁ আকৌ কৈছিল— '....... টোপনিৰপৰা জাগা, জাগা, দীৰ্ঘ ৰজনী শেষ হৈ প্ৰভাত হৈছে। দিনৰ পোহৰ দেখা গৈছে। বিশাল ঢৌ উঠিছে। কোনোপধ্যেই আৰু ইয়াৰ গতি ৰোধ কৰিব নোৱাৰিবা..... বিশ্বাস, শ্ৰদ্ধা ৰাখা। ভয় নাখাবা— সবাতোকৈ গুৰুতৰ পাপ হৈছে ভয়।'

বিবেকানন্দৰ মতে, জাতীয়তাবাদ হৈছে এক জাতীয় অনুভূতি। এই অনুভূতিৰ অভিব্যক্তি ঘটে জাতীয় জীৱনৰ ঐক্য আৰু সংহতিৰ মাধ্যমেৰে। বিবেকানন্দৰ মতে, যি নিয়ম অনুসৰি পশু ঐক্যবদ্ধ হয়, সেই একেই নিয়মানুসৰি মনুষ্য বংশও ঐক্যবদ্ধ হৈ জাতি বা দেশবাসীত পৰিণত হয়। এটা নিৰ্দিষ্ট উদ্দেশ্য আগত লৈ এখন দেশৰ অধিবাসীসকল জাতিত পৰিণত হয়। জাতিৰ লোকসকলৰ মাজত মূলতঃ দুটা বিশেষ ক্ষেত্ৰৰে জাতীয়তাবাদ গঢ়ি উঠে। এটা হ'ল বিপদ বা সংকটৰ সময়ত আৰু আনটো হ'ল সহজাত সম্প্ৰীতি।

বিবেকানন্দৰ মতে, জাতীয়তাবাদী মনোভাব গঢ়ি উঠিবলৈ মানুহ উদ্যোগী হ'ব লাগিব। এই উদ্যোগ অহিংসা ভিত্তিকো হ'ব পাৰে বা হিংসামূলকো হ'ব পাৰে। তেওঁৰ মতে, জাতীয়তাবাদী মনোভাব অহিংস পথেৰে পৰিচালিত হোৱা দৰকাৰ। এনে হ'লে দেশৰ বহুমুখী ভাষা, ধৰ্ম, প্ৰথা আদিৰ প্ৰতি বিদ্বেষমূলক প্ৰৱণতা নাথাকে। তেওঁৰ মতে, প্ৰতিটো জাতিয়ে নিজৰ মৌলিক জাতীয় বৈশিষ্ট্যসমূহ বৰ্তাই ৰাখিও অন্য জাতিৰ ভাল গুণসমূহ অৰ্জন কৰিব পাৰে। এইক্ষেত্ৰত যুক্তি তথা বিচাৰ-বিশ্লেষণেৰে আগবাঢ়িব লাগে। ভাৰতীয় ঐতিহ্য-পৰম্পৰাৰ মহান দিশসমূহ আঙুলিয়াই দি তেওঁ দেশবাসীক উদ্দেশ্যি কৈছিল — 'কোনোবাই (ব্ৰিটিছ) তোমালোকৰ বিশ্বাস পৰম্পৰাক বেয়া বুলি ক'লেই বিশ্বাস নকৰিবা, তোমাৰ যুক্তিৰে বিচাৰ-বিশ্লেষণ কৰি চাইহে সিদ্ধান্ত ল'বা। তেওঁৰ মতে, জাতীয়তাবাদী চিন্তা হিংসামূলক হ'লে জাতীয় জীৱনৰ সদগুণসমূহ নষ্ট হয়। হিংসামূলক জাতীয়তাবাদ আপাতত শক্তিশালী হ'লেও ই কেতিয়াও স্থায়ী হ'ব নোৱাৰে।

বিবেকানন্দ আছিল বৈদান্তিক। তেওঁ আছিল বিশ্বজনীন আধ্যাত্মিক চেতনাৰদ্বাৰা অনুপ্ৰাণিত। গতিকে তেওঁ অন্ধভাৱে স্বদেশক ভাল পোৱা নাছিল তথা অন্য জাতিক বিদ্বেষো কৰা নাছিল। তেওঁ জাতীয়তাবাদৰ এটা আধ্যাত্মিক ভিত্তি তৈয়াৰ কৰি লৈছিল। তেওঁ আছিল জাতীয়তাবাদৰ ধৰ্মীয় মতবাদৰ প্ৰবল সমৰ্থক। ধৰ্মক তেওঁ জাতীয় জীৱনৰ মেৰুদণ্ড জ্ঞান কৰিছিল। ধৰ্মৰ লগত জাতীয়তাবাদক সাঙুৰি তেওঁ জাতীয়তাবাদৰ বৈদান্তিক ৰূপটো দাঙি ধৰিছিল। তেওঁৰ মতে, ভাৰতীয়সকলৰ জাতীয় জীৱনৰ ধাৰক হ'ল ধৰ্ম। ভাৰতীয় জনসমাজৰ মাজত ঐক্য সাধনৰ ক্ষেত্ৰত ধৰ্মই ঐক্যসূত্ৰ হিচাপে ভূমিকা পালন কৰি আহিছে। জাতীয় জীৱনত দেখা দিয়া প্ৰতিটো দুৰ্যোগ ধৰ্মই প্ৰতিহত কৰিছে। আনকি ৰাজনৈতিক ব্যৱস্থাও যেতিয়া সংকটত পৰিছিল ধৰ্মইহে ৰাজনৈতিক কৰ্তৃপক্ষক শক্তি যোগাইছে। গতিকে ভাৰতৰ জাতীয় জীৱনক আধ্যাত্মিকতাৰ আদৰ্শৰে গঢ়ি তোলা উচিত। অধ্যাপক ড° ভি.পি. বাৰ্মাৰ গ্ৰন্থ *'Modern Indian Political Thought'*ত উল্লেখ আছে— "...... Vivekananda declared that the national life should be organised on the basis of religious ideal ..... Religion had been the persistent basis of Indian life and all reform must come through religion to be able to obtain the adherence of the masses."

জাতীয়তাবাদৰ ভিত্তি হিচাপে ধৰ্মৰ ধাৰণা ব্যাখ্যা কৰি বিবেকানন্দই কৈছিল যে পবিত্ৰ আৰু নিঃস্বাৰ্থতাৰ মাজতেই ধৰ্ম আছে। তেওঁৰ মতে, পৰোপকাৰেই ধৰ্ম। ধৰ্মই সৎ আচাৰ-আচৰণক বুজায়, প্ৰেম-ভালপোৱাক বুজায়। তেওঁ এই ক্ষেত্ৰত ধৰ্মৰ নামত চলা সামাজিক কু-সংস্কাৰ, ধৰ্মীয় আচাৰ-অনুষ্ঠান, প্ৰচলিত অন্ধবিশ্বাস আদিৰ বিৰোধিতা কৰিছিল।

বিবেকানন্দৰ মতে, অতীতৰ গৌৰৱ-ঐতিহ্যৰ ভিত্তিতেই এটা জাতিৰ গৌৰৱোজ্জ্বল ভৱিষ্যৎ গঢ়ি তোলা সম্ভৱ। এই ক্ষেত্ৰত ভাৰতীয় জাতিৰ প্ৰতি তেওঁ আহ্বান জনাই কৈছিল— আমি আমাৰ ভাৰতীয়ত্বক লৈ গৌৰৱ কৰা উচিত, আমাৰ প্ৰাচীন সভ্যতাক লৈ, আধ্যাত্মিকতাক লৈ গৌৰৱ কৰা উচিত। আমি আমাৰ পূৰ্বজসকলক লৈও গৌৰৱ কৰা উচিত। তেওঁৰ মতে, অতীতৰ ঐতিহাসিক উত্তৰাধিকাৰমূলক জাতীয়তাবাদ গঢ়ি তুলিব লাগে। তেওঁৰ মতে, ভাৰতৰ গৌৰৱময় অতীতৰ মাধ্যমেৰেই ভাৰত তথা ভাৰতবাসীৰ ভৱিষ্যতৰ দিনবোৰক গ্লানিমুক্ত আৰু মৰ্যাদাসম্পন্ন কৰি তোলা সম্ভৱ। অৱশ্যে তেওঁ কেতিয়াও সংকীৰ্ণ সাম্প্ৰদায়িকতাক সমৰ্থন কৰা নাছিল। জাতীয়তাবাদৰ বিকাশৰ বাবে তেওঁ সদায় মানুহৰ সততা-ভালপোৱা, দয়া-কৰুণা, আনৰ বাবে আত্মস্বাৰ্থত্যাগ আদি সদগুণসমূহৰ অনুশীলনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সৎ প্ৰবৃত্তিসমূহৰ বিকাশেৰে মানবীয় মূল্যবোধৰ ভিত্তিত নিঃস্বাৰ্থভাৱে দেশ তথা দেশবাসীৰ সেৱাৰ ওপৰত তেওঁ গুৰুত্ব দিছিল। তেওঁ কৈছিল,"দেশহিতৈষী হোৱা। যি জাতিয়ে পূৰ্বে আমাৰ বাবে ইমান ডাঙৰ ডাঙৰ কাম কৰি গৈছে সেই জাতিক প্ৰাণেৰে ভালপোৱা।"

ভাৰতীয়সকলৰ মাজত ঐক্যতা আৰু সংহতি প্ৰতিষ্ঠা সুনিশ্চিত কৰিবলৈ তেওঁ উদাত্তকণ্ঠে কৈছিল, "আমি ভাৰতবাসী, প্ৰত্যেক ভাৰতবাসী আমাৰ ভাই। কোৱা, 'মুৰ্খ ভাৰতবাসী, দীন-দৰিদ্ৰ ভাৰতবাসী, চণ্ডাল ভাৰতবাসী, ব্ৰাহ্মণ ভাৰতবাসী আমাৰ ভাই।" "ভাৰতবাসী আমাৰ ভাই, ভাৰতবাসী আমাৰ প্ৰাণ, ভাৰতৰ দেৱ-দেৱী আমাৰ ঈশ্বৰ, ভাৰতৰ সমাজ আমাৰ শিশু শয্যা, আমাৰ যৌবনৰ উপবন, পৱিত্ৰ স্বৰ্গ, আমাৰ বৃদ্ধাৱস্থাৰ বাৰাণসী। ভাইসকল কোৱা, ভাৰতৰ মাটি আমাৰ সৰ্বোচ্চ স্বৰ্গ, ভাৰতৰ কল্যাণ আমাৰ কল্যাণ।"